# কাৰ্যবাহী সাৰাংশ

## পাৰিপাৰ্শ্বিকতা আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা ৰূপৰেখা (ESMPF)

অক্টোবৰ ২০২০ (October, 2020)

অসম আন্তঃৰাজ্যিক সঞ্চাৰণ প্ৰনালী সুদৃঢ়কৰণ প্ৰকল্প'
ট্ৰ্যাঞ্চ – ০১ (Tranche 1)

প্ৰস্তুত কৰা হৈছে এচিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংকৰ বাবে (চমুকৈ AIIB)
প্ৰস্তুত কৰিছে অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড (চমুকৈ AEGCL)

# কাৰ্যবাহী সাৰাংশ

অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড (চমুকৈ AEGCL) হ'ল ৰাজ্যখনৰ একমাত্ৰ বিদ্যুৎ শক্তি সংবহন সেৱা। অসমৰ অন্তঃৰাজ্যিক (Intra-state) বিদ্যুৎ শক্তি সংবহন প্ৰণালীটোৰ কাৰ্য অভিযান, তদাৰক আৰু বিকাশৰ বাবে AEGCL দায়বদ্ধ। বৰ্তমান অসমত AEGCLৰ ৬,৮৮২ MVA ক্ষমতা সম্পন্ন ৬৬টা উপ-ষ্টেশ্যন আছে।

AEGCLৰ সঞ্চাৰণ নে'টৱৰ্কটোৱে সম্প্ৰতি ১,৩৭৩ কিলোমিটাৰ পৰ্যন্ত বিয়পি থকা এক বিশেষ আপ্তিকেল পাৱাৰ গ্ৰাউন্ড Wire (OPGW) নেটৱৰ্কৰ লগত ৬৬kVৰ পৰা ৪০০ kVৰ লৈকে বিভিন্ন ভল্টেজ শ্ৰেণীৰ ৫,৭০১ চাৰ্কিট কিলোমিটাঘৰলৈ প্ৰসাৰিত সংবহন বিন্যাস সেৱা আগবঢ়াই আছে । ২০১৮ চনৰ মাৰ্চ মাহলৈকে AEGCLএ অসমৰ বিতৰণ নে'টৱৰকটোলৈ ৯,১৬৮ মিলিয়ান ইউনিট ( ১০,১৮৯ মিলিয়ন ইউনিটৰ প্ৰকৃত প্ৰয়োজনীতাৰ বিপৰীতে) বিদ্যুত শক্তি সংবহন কৰিছে । এই বিদ্যুৎ শক্তি বিভিন্ন উৎপাদন উৎসৰ উপৰি একাধিক আন্তঃৰাজ্যিক তথা আন্তঃআঞ্চলিক আমদানি কেন্দ্ৰৰ পৰা সংগ্ৰহ কৰা হৈছে । এই কালছোৱাৰ ভিতৰতে AEGCLএ বিতৰণ কোম্পানীবোৰৰ পৰা পোৱা সৰ্বাধিক চাহিদাৰ ৯৫% পূৰণ কৰিবলৈ সক্ষম হৈছে (AEGCL কাৰ্যালয়, মাৰ্চ ২০২০)। **এচিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেন্ট বেংক** (চমুকৈ AIIB)এ **"অসম আন্তঃৰাজ্যিক সঞ্চাৰণ প্ৰণালী সুদৃঢ়কৰণ প্ৰকল্প"** (Assam Intra-State Transmission System Enhancement Project) নামৰ প্ৰস্তাৱিত প্ৰকল্পটোৰ জৰিয়তে বিদ্যুত শক্তি যোগানৰ নিৰ্ভৰযোগ্যতা উন্নত কৰিবলৈ শক্তি সংবহন প্ৰণালীটোৰ সুদৃঢ়কৰণ প্ৰয়োজনীয় সমৰ্থন আগবঢ়োৱা কথা বিবেচনা কৰি আছে। প্ৰকল্পটোৰ আনুমানিক ব্যয় হ'ব ৩৬৫ মিলিয়ান আমেৰিকা ডলাৰ । ইয়াৰে ৩০৪ মিলিয়ান আমেৰিকা ডলাৰ (মুঠ প্ৰকল্প ব্যয়ৰ ৮৩%)ৰ বিত্তীয় সাহায্য আগবঢ়াবলৈ ভাৰত চৰকাৰে AIIBক অনুৰোধ জনাব। প্ৰকল্পটোত তলত উল্লেখ কৰা দিশবোৰ সামৰি লোৱা হ'ব বুলি আশা কৰা হৈছে-

(ক) ১০টা নতুন উপ- ষ্টেশ্যন নিৰ্মাণ, ৩৩২.৯৪৫ কিলোমিটাৰ সংযোগ সঞ্চাৰণ লাইন স্থাপন, AEGCL ৰ বৰ্তমানে উপস্থিত থকা উপ-ষ্টেশ্যনত ৩টা বে' সম্প্ৰসাৰণ স্থাপন আৰু ১৩২/৩৩ গহপুৰ AIS উপ-ষ্টেশ্যন তো ১৩২/৩৩kV GIS উপ- ষ্টেশ্যন লে ৰূপানতৰ কৰা ।

(খ) বৰ্তমানেও সক্ৰিয় হৈ থকা ১৪টা উপ-ষ্টেশ্যনত বিবৰ্ধন (Augmentation) (পুৰণি ট্ৰেন্সফৰ্মাৰৰ স্থানত নতুন ট্ৰেন্সফৰ্মাৰ স্থাপন) ।

(গ) ১৮৬ কিলোমিটাৰ সঞ্চাৰণ লাইনৰ বিবৰ্ধন [হাই টেম্পাৰচাৰ লো চ'গ (HTLS) পৰিবাহী পুনৰ গাথন] ।

(ঘ) ৬৩৬ কিলোমিটাৰ সঞ্চাৰণ লাইনৰ ground wire স্থানত OPGWৰ প্ৰয়োগ আৰু উপ-ষ্টেশ্যনবোৰৰ পুৰণি যন্ত্ৰ পাতি সলনি কৰণ।

উপ-ষ্টেশ্যন নিৰ্মাণকৈ ধৰি বিদ্যুৎশক্তিৰ সংবহন সেৱাৰ প্ৰকল্পবোৰক পাৰিপাৰ্শ্বিকতাৰ দিশেৰে সংবেদনশীল প্ৰকলপ বাবে ২০০৬ চনৰ পাৰিপাৰ্শ্বিকতাজনিত প্ৰভাৱ মূল্যায়ন (EIA) ঘোষণা আৰু পৰৱৰ্তী সময়ত পৰিৱেশ, বন তথা জলবায়ু পৰিবৰ্তন বিষয়ক মন্ত্ৰালয় (MoEF&CC) এ কৰা এই ঘোষণা সংশোধনত সন্নিবিষ্ট কোনো ধৰণৰ পাৰিপাৰ্শ্বিকতা নীতি সম্বন্ধীয় অনুমতি পত্ৰ আহৰণৰ প্ৰয়োজন নাই। অসম বন বিভাগৰ পৰাও তেতিয়াহে অনুমতি পত্ৰ আহৰণ কৰাতো আৱশ্যক যেতিয়া প্ৰকল্প এটা কোনো বনাঞ্চলত নিৰ্মাণ কৰিবলগীয়া অথবা প্ৰকল্পৰ কামত বনাঞ্চলৰ গছ-গছনি কাটিবলগীয়া হয়। আমাৰ হাতত থকা প্ৰকল্পটোৰ প্ৰাৰ্থমিক ৰূপৰেখাৰ আধাৰত কব পাৰি যে ইয়াৰ ক্ষেত্ৰত বন বিভাগৰ পৰা অনুমতি পত্ৰ আহৰণৰ নিয়মটো প্ৰয়োগ নহয়।

AIIBৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক নীতি (ESP) অনুসৰি এই প্ৰকল্পটোৱে অতি সীমিত সংখ্যক বিৰূপ পাৰিপাৰ্শ্বিক তথা সামাজিক (E&S) প্ৰভাৱ সম্ভৱনা বহন কৰিব। এই প্ৰভাৱবোৰ অভূতপূৰ্ব প্ৰকৃতিৰ নহয়, যিহেতু কমসংখ্যক বিৰূপ প্ৰভাৱ প্ৰকৃতি অপৰিৱৰ্তনীয় নাইবা পুঞ্জীভৱনশীল সেইকেইটা কেৱল প্ৰকল্প ক্ষেত্ৰত ভিতৰত সীমাবদ্ধ

হৈ ৰব আৰু কাৰ্য সম্পাদন পদ্ধতিত সু-অনুশীলনৰ সংযোগ ঘটাই এই প্ৰভাৱবোৰ সফলতাৰে নিয়ন্ত্ৰণ কৰিব পৰা যায়। প্ৰকল্পটোৱে 'Category B' তালিকাত স্থান পাব বুলি আশা কৰা হৈছে।

এই পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যবস্থাপনা পৰিকল্পনা ৰূপৰেখা (ESMPF) প্ৰতিবেদনত প্ৰকল্পটোৰ সৈতে জড়িত ক্ষেত্ৰৰ ভৌতিক, পাৰিপাৰ্শ্ব বিজ্ঞান, অৰ্থনীতি আৰু বিভিন্ন সামাজিক দিশ বিষয়ক আধাৰ - ৰেখা স্তৰৰ ডেটা সন্নিবিষ্ট কৰা হৈছে। ইয়াত চিহ্নিত তথা পূৰ্বানুমান কৰা পাৰিপাৰ্শ্বিকতা কেন্দ্ৰীয় আৰু সামাজিক প্ৰভাৱ লগতে প্ৰস্তাবিত প্ৰশমন ব্যৱস্থাবোৰৰ কথাও উল্লেখ কৰা হৈছে। আৰ্হি উপ - প্ৰকল্প অধ্যয়নৰ ভিত্তিত প্ৰস্তুত কৰা এই ESMPF অধ্যয়নৰ উদ্দেশ্যে হল পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ মূল্যায়ন (ESIA), সাৰ্বজনীন পাৰিপাৰ্শ্বিকতা আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা (ESMP) আৰু এক প্ৰযুগসাধ্য পুনৰবসতিস্থাপন পৰিকল্পনা ৰূপৰেখা (RPF)ৰ আৰ্হি আগবঢ়োৱাৰ লগতে ভবিষ্যৎ পাৰিপাৰ্শ্বিকত আৰু সামাজিক মূল্যায়নবোৰ কৰাৰ সময়ত স্পষ্টকৈ পথ প্ৰদান কৰিব পৰা এক সুনিৰ্দিষ্ট নিৰ্দেশনা প্ৰস্তুত কৰা। প্ৰকল্পৰ কাম চলি থকা সময়ত খিলঞ্জীয়া লোক পৰিকল্পনা (IPPs, যদিহে প্ৰযোজ্য) আৰু ইচ্ছাপূৰণৰ সৈতে জড়িত দিশবোৰ সুচাৰুৰূপে আগবঢ়াই নিয়াত দিক-নিৰ্দেশনা দিবলৈ এটা খিলঞ্জীয়া লোক উন্নয়ন ৰূপৰেখা (IPPF) প্ৰসত্তত কৰা হৈছে। AIIBএ বিচাৰিছে যে প্ৰকল্পৰ কাম আৰম্ভ কৰাৰ সময়ত ঠিকাদাৰসকলক একাত্ৰিত কৰা আগতেই AEGCLএ ইতিপূৰ্বে মূল্যায়ন নকৰা সকলোবোৰ উপ-প্ৰকল্পৰে ESMPFৰ দিক-নিৰ্দেশনা অনুসৰি E&S মূল্যায়ন প্ৰসও কৰক।

সম্ভাব্য পাৰিপাৰ্শ্বিকতাজনিত আৰু সামাজিক বিপদৰ আশংকা এৰাই চলিবলৈ প্ৰকল্প ক্ষেত্ৰ সাৱধানতা সহকাৰে বাছনি কৰা হব। এই কাম AEGCLএ AIIBৰ লগত আলোচনা কৰি ঠিক কৰিব। ক্ষেত্ৰ বাছনিৰ সময়ত সামাজিক, সংস্কৃতিক আৰু পুৰাতাত্বিক দিশেৰে সংবেদনশীল (যেনে - পৱিত্ৰ বুলি গণ্য কৰা উপবন, শ্মশান, ধৰ্মীয় উপাসনা স্থল, স্মৃতিসৌধ আদি।) এলেকাবোৰত অনাধিকাৰ হস্তক্ষেপ এৰাই চলা হব। ইয়াৰ উপৰিও, একে ধৰণৰ আন বহুতো এলেকা (যেনে - ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য, জৈৱ সংৰক্ষিত এলেকা আৰু জৈৱ বৈচিত্ৰপূৰ্ণ ভৌগোলিক অঞ্চলসমূহ)ত অনাধিকাৰ হস্তক্ষেপ এৰাই চলিবলৈ ক্ষেত্ৰ নিৰ্মাণ তথা সংৰক্ষন প্ৰস্তুতিৰ সময়ত সাৱধানতা অৱলম্বন কৰা হব। পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ মূল্যায়ন তথা প্ৰকল্প শিতানভুক্তকৰণ নিৰ্দেশনা প্ৰয়োগ কৰি চলি থকা কাৰ্য-কলাপ বোৰ প্ৰকল্প পৰিসৰৰ পৰা বাদ দিয়া হব।

আশা কৰা হৈছে যে প্ৰকল্পটোৱে ইয়াৰ চৌপাশৰ পাৰিপাৰ্শ্ব আৰু সামাজিক পৃষ্ঠভূমিত কোনো গুৰুতৰ বিৰূপ পৃভাৱ নেপেলায়। ইয়াৰ পৰিৱৰ্তে প্ৰকল্পটোৱে আশে-পাশে থকা অঞ্চলবোৰৰ অৰ্থনৈতিক উন্নয়নত তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়াই। প্ৰকল্পটোৱে ESMPত ইয়াৰ সম্ভাৱ্য পাৰিপাৰ্শ্বিকতা আৰু সামাজিক বিৰূপ প্ৰভাৱ আৰু সেইবোৰৰ প্ৰশমন ব্যৱস্থাসমূহ বৰ্ণনা কৰা হৈছে। প্ৰকল্পটো সক্ৰিয় হৈ থকা পৰ্যন্ত এই ব্যৱস্থাসমূহ প্ৰয়োগ কৰা হ'ব। ESMPত সন্নিৱিষ্ট বিভিন্ন সা-সুবিধা ঠিকাদাৰ সকলে গঢ়ি তুলিব লাগিব। সেয়েহে, এই সা-সুবিধাবোৰৰ উপযুক্ত প্ৰয়োগ তথা নিৰীক্ষণ সুনিশ্চিত কৰিবলৈ ESMPত নিবিদা নথিৰ অংশ এটাও সংলগ্ন কৰা হৈছে।

অসমক নামনি, মধ্য আৰু উজনি অসম নামৰ তিনিটা ভৌগোলিক মণ্ডলত ভাগ কৰা হৈছে । প্ৰধান উপ-প্ৰকল্প ক্ষেত্ৰসমূহ ৰুয়থনৰ ব্ৰহ্মপুত্ৰ উপৎয়কাৰ সীমাৰ ভিতৰত পৰা এই তিনিওটা মণ্ডলৰ ভিতৰত তেৰখন জিলাত সিঁচৰিত হৈ আছে । 'গ্ৰীষ্মমণ্ডলিয় মৌচমী বৰ্ষাৰণ্য় জলবায়ু ' প্ৰধান অসম হল এটা নাতিশীতোষ্ণ অঞ্চল। অসমত বৰষুণ আৰ্দ্ৰতাৰ পৰিমান বেছি। ৰাজ্যখনত এটা বিশাল সংৰক্ষিত এলেকা (protected area) নেটৱৰ্ক আছে। ৫খন ৰাষ্ট্ৰীয় উদ্যান (National Park) আৰু ২০খন অভয়াৰণ্য (wildlife santuaries) এই নেটৱৰ্কৰ অন্তৰ্গত। মূঠ অভয়াৰণ্যৰ ভিতৰত দুখন প্ৰস্তাৱিত অভয়াৰণ্যও আছে। আটাইকেইখন NP আৰু WLS যেই হ'ল বিভিন্ন বিপাদাপন্ন তথা থলুৱা জীৱ প্ৰজাতিৰ বিচৰণভুমি। অসমত থকা ৫খন সংৰক্ষিত হস্তী বনাঞ্চল হ'ল ক্ৰমে - শোণিতপুৰ ER (১৪২০ বৰ্গ কিলোমিটাৰ), দিহিং-পাটকাই ER (৯৩৭ বৰ্গ কিলোমিটাৰ), কাজিৰঙা- কাৰ্বি আংলং ER (৩২৭০ বৰ্গ কিলোমিটাৰ), ধনশিৰি- লামডিং ER (২৭৪০ বৰ্গ কিলোমিটাৰ) আৰু চিৰাং-ৰিপু ER (২৬০০ বৰ্গ কিলোমিটাৰ)।

ইয়াৰ উপৰি ৰাজ্যখনত থকা ৮টা হস্তী ক'ৰিডৰে এই সংৰক্ষিত বনাঞ্চলবোৰ, সংৰক্ষিত এলেকাবোৰ আৰু চুবুৰীয়া ৰাজ্যৰ বনাঞ্চলবোৰক সংলগ্ন কৰি ৰাখিছে।

২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ জনশংখ্যা প্ৰায় ৩১ মিলিয়ন। ই ভাৰতৰ চতুৰ্দশ সৰ্বাধিক জনশংখ্যা প্ৰধান ৰাজ্য। ১৬.৯৩% বৃদ্ধি হাৰত অসমে ভাৰতৰ মুঠ জনশংখ্যাৰ প্ৰায় ২.৫% বৰভৰি আগবঢ়াইছে। ৰাজ্যখনৰ জনশংখ্যাৰ ঘনত্ব ৰাষ্ট্ৰীয় গড় ঘনত্বৰ প্ৰায় সমতুল। ২০১৪-১৫ চনৰ ভূমী ব্যৱহাৰ পৰিসংখ্যা (অস্থায়ী) অনুসৰি অসমৰ সৰ্বমুঠ নথিভূক্ত ব্যৱহৃত এলেকা হল ৭৮.৪৪ লাখ হেক্টৰ। এলেকাৰ দিশেৰে ভাৰতৰ ৰাজ্যবোৰৰ ভিতৰত অসমৰ স্থান ষষ্ঠদশ।

অসম বিভিন্ন অনুসূচিত জনজাতি (ST) সম্প্ৰদায়ৰ লোকৰ বাসভূমি সেয়েহে ইয়াত বিভিন্ন উপ-ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰ পয়োভৰ দেখা যায়। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমত মুঠ ৩৮,৮৪,৩৭১ গৰাকী জনজাতি বাসিন্দা আছে। এই পৰিমান ৰাজ্যখনৰ মুঠ জনশংখ্যাৰ ১২.৪% । ২০০১-২০১১ বৰ্ষত অসমৰ জনজাতি সম্প্ৰদায়ে দেখুওৱা দশকীয় জনশংখ্যা বৃদ্ধিৰ হাৰ হল ১৭.৪% । ৰাজ্যখনত বসবাস কৰি থকা প্ৰধান জনজাতি সম্প্ৰদায়বোৰ হল- বড়ো(৩৫.১%), মিচিং(১৭.৫২%), কাৰ্বি(১১.১%), ৰাভা(৭.৬%), সোনোৱাল কছাৰী(৬.৫%), লালুং(৫.২%), গাৰো(৪.২%) আৰু ডিমাচা(৩.২%)। এই আটাইকেইটা সম্প্ৰদায়ে মিলি ৰাজ্যখনৰ সৰ্বমুঠ জনজাতি বাসিন্দাৰ ৯০% গঠন কৰিছে। অসমৰ সাতখন জিলা (দিমা হাচাও, কাৰ্বি আংলং, ধেমাজি, বাক্সা, চিৰাং, ওদালগুৰি আৰু কোকৰাঝাৰ)ত মুঠ বাসিন্দা ২৫% কেও অধিক জনজাতি সম্প্ৰদায়ৰ লোক। ৰাজ্যখনৰ জনজাতি জনশংখ্যাৰ মুঠ ৫৩.৩% এই জিলাকেইখনৰ বাসিন্দাৰে গঠিত হৈছে।

প্ৰকল্পটোৰ নেতিবাচক প্ৰভাৱৰ তুলনাত সুফল যথেষ্ঠ অধিক হব। প্ৰকল্পটোৰ সৈতে জড়িত হৈ থকা প্ৰধান E&S সমস্যাবোৰ কেৱল প্ৰকল্প নিৰ্মাণ কালতেই সীমাবদ্ধ হৈ ৰব। ESMPF বলবতকৰণ, সৰ্বোত্তম অভিযান্ত্ৰিক তথা পৰিপাৰ্শ্বিকতাকেন্দ্ৰিক অনুশীলনবোৰৰ অনুসৰণৰ দ্বাৰা এই নেতিবাচক প্ৰভাৱবোৰ এক গ্ৰহণযোগ্য পৰ্যায়লৈ প্ৰশমিত কৰিব পৰা যাব।

ক্ষেত্ৰ পৰিদৰ্শন পোনপটীয়া প্ৰকল্প ৰেখা অধ্যয়নৰ পৰা গম পোৱা গৈছে যে উপ-প্ৰকল্পবোৰৰ অধিকাংশই একক/দ্বি শস্যৰ খেতি কৰা সমভূমি অঞ্চলৰ খেতিপথাৰৰ মাজে মাজে পাৰ হৈ যাব। কোনো কোনো ঠাইত এই ৰেখাই চাহবাগান অথবা পতিত মাটি অতিক্ৰম কৰিব। চিনাক্ত কৰা উপ-প্ৰকল্প ক্ষেত্ৰবোৰ ভাৰত চৰকাৰে চিহ্নিত কৰা কোনো সংৰক্ষিত এলেকাৰ ভিতৰত নপৰে। বিভিন্ন সঞ্চাৰণ লাইনৰ বাবে চিনাক্ত কৰা অনুকূল পথৰেখাই বহুকেইটা স্থানত ৰাজ্যখনৰ বিভিন্ন সৰু-বৰ নদী পাৰ কৰিব। নদীত বহুৱাবলগীয়া স্তম্ভবোৰৰ (tower footings) ব্যয়ভাৰ কম কৰিবলৈ AEGCLএ ইয়াৰ পূৰ্বৰ প্ৰকল্পবোৰত ব্যৱহাৰ কৰাৰ দৰে স্তম্ভ তৈয়াৰ কৰিবলৈ অতিৰিক্ত বিশেষ আৰ্হি প্ৰস্তুত কৰিব লাগিব।

ইতিমধ্যে চিনাক্ত তথা চূড়ান্ত কৰা প্ৰস্তাৱিত উপ-ষ্টেশ্যনবোৰৰ অধিকাংশই চৰকাৰী পত্তা মাটি অথবা AEGCL ৰ নিজা মাটিত নিৰ্মাণ কৰা হ'ব । প্ৰকল্পত সঞ্চাৰণ লাইন শিতানত ভূমি অধিগ্ৰহণৰ বিষয়টো অন্তৰ্ভূক্ত কৰা হোৱা নাই । সঞ্চাৰণ স্তম্ভবোৰৰ নিৰ্মাণে মাটি ব্যৱহাৰৰ অনুশীলনবোৰ সাময়িকভাৱে সলনি কৰিব । স্হায়ী/অস্হায়ী ভূমি অধিগ্ৰহণ, কৃষি আৰু নাইবা জীৱিকাত পৰা বিৰূপ প্ৰভাৱ, আনুষংগিক নিৰ্মাণ ব্যাঘাত আৰু বিপদৰ আশংকা(লিংগভিত্তিক হিংসাকে ধৰি) আদিৰ দৰে নেতিবাচক সামাজিক প্ৰভাৱৰ মাত্ৰা নূন্যতম কৰিবলৈ উপ-ষ্টেশ্যন আৰু সঞ্চাৰণ লাইনৰ আৰ্হি উপযুক্তভাৱে বিকশাই তোলা হ'ব আৰু সেইমতে নিৰ্মাণ কাৰ্য চলিব । যদি কোনো বিশেষ কাৰণত স্হায়ী অথবা অস্হায়ীভাৱে ভূমি অধিগ্ৰহণৰ প্ৰয়োজন হয়, তেন্তে পুনৰ বসতিস্হাপন নীতি ৰূপৰেখা (RPF)ৰ নিৰ্দেশনাৰ আধাৰত জিলা ৰাজহ বিষয়াৰ উপস্হিতিত মাটিৰ গৰাকীৰ সৈতে আলোচনা কৰা হ'ব । এনে আলোচনাৰ সময়ত অনুসৰন কৰিবলগীয়া ৰাষ্ট্ৰীয় আইন কেইখন হ'ল- 'ভূমি অধিগ্ৰহণ,পুনৰ সংস্হাপন আৰু পুনৰ বসতিস্হাপনত ন্যায্য ক্ষতিপূৰণ আৰু স্বচ্ছতাৰ অধিকাৰ আইন,২০১৩, 'ৰাষ্ট্ৰীয় পুনৰ বসতিস্হাপন আৰু পুনৰ সংস্হাপন নীতি

(NRRP), ২০০৭', ভাৰতীয় টেলিগ্ৰাফ আইন, ১৮৮৫'ৰ প্ৰাসংগিক নীতি নিয়ম সহিতে 'বিদ্যুত সেৱাত থকা সা-সুবিধা আইন, ২০০৩' তথা AIIB ৰ পাৰিপাৰ্শ্বিকতা আৰু সামাজিক নীতি (ESP)

এই প্ৰকল্পটোৰ আন কোনো সা-সুবিধা নাই। এই প্ৰকল্পটোৱে কেৱল অসমৰ শক্তি সঞ্চাৰণ প্ৰণালীটোৰ সৈতে জড়িত বিভিন্ন ব্যৱস্থা সুদৃঢ়কৰণৰ সুবিধাহে গঢ়ি তুলিব। AEGCLএ কোনো বিশেষ শক্তি প্ৰকল্পৰ বাবে উৎসৰ্গিত বিদ্যুৎ শক্তি সঞ্চাৰণ প্ৰণালীটোৰ সৈতে জড়িত বিভিন্ন ব্যৱস্থা সুদৃঢ়কৰণ সুবিধাহে গঢ়ি তুলিব। AEGCLএ কোনো বিশেষ শক্তি প্ৰকল্পৰ বাবে উৎসৰ্গিত বিদ্যুৎ শক্তি পৰিবাহী লাইন নিৰ্মাণ নকৰে । ইয়াৰ পৰিৱৰ্তে নিগমে সমগ্ৰ ৰাজ্যখনত শক্তি উৎপাদন প্ৰকল্পৰ এক সমষ্টি গঢ়ি তুলিব।

ESMPFৰ প্ৰস্তুতি কালত ষ্টেকহোল্ডাৰ সকলক পৰামৰ্শদান কৰা হৈছিল আৰু প্ৰকল্পৰ কাৰ্যৰূপায়ণ সমাপ্ত নোহোৱা পৰ্যন্ত প্ৰকল্প প্ৰভাৱিত ব্যক্তি (PAP)ৰ ব্যক্তিগতভাৱে তথা ষ্টেকহল্ডাৰসকলৰ সমূহীকভাৱে এনে পৰামৰ্শদান কাৰ্যসূচী কোভিড১৯ (Covid 19) প্ৰতিৰোধ মূলক সঙ্গতিপূৰ্ণ ব্যৱস্থাৰ অবিৰতভাৱে চলি থাকিব। প্ৰকল্প প্ৰভাৱিত ব্যক্তি আৰু শ্ৰমিক কৰ্মীৰ ওজৰ-আপত্তিসমূহ সঠিক সময়ত আঁতৰোৱাটো সুনিশ্চিত কৰিবলৈ তাৎক্ষণিকভাৱে এটা ওজৰ-আঁপত্তি নিষ্পত্তিকৰণ ব্যৱস্থা (GRM) গঢ়ি তোলা হব। ইয়াৰ বাবে গঠন কৰা ওজৰ-আঁপত্তি নিষ্পত্তিকৰণ সমিতি (GRC) খনত AEGCLৰ প্ৰতিনিধিৰ উপৰি স্থানীয় প্ৰশাসন পঞ্চায়তৰ মুৰব্বী আৰু প্ৰকল্প প্ৰভাৱিত ব্যক্তিসকলৰ প্ৰতিনিধি থাকিব। প্ৰকল্প সঞ্চালক নাইবা তেওঁৰ কাৰ্যলয়ৰ কোনো প্ৰতিনিধি এই সমিতিখনৰ অধক্ষ্য হব। যিসকল প্ৰকল্প প্ৰভাৱিত ব্যক্তিসকলে (PAP) ভাৱে যে এই প্ৰকল্পটোত ESP সঠিকভাৱে প্ৰয়োগ কৰা AIIB ব্যৰ্থ হোৱাৰ ফলত তেওঁলোক বিৰূপ ভাৱে প্ৰভাৱিত হৈছে অথবা সম্ভাৱনা আছে, সেইসকল ব্যক্তিয়ে প্ৰকল্প প্ৰভাৱিত ব্যক্তিৰ বাবে থকা ব্যৱস্থা সন্দৰ্ভত AIIBএ মানি চলা নীতিৰ উল্লিখন সহ বেংকত অভিযোগ দাখিল কৰিব পাৰে। প্ৰকল্পটোৰ বাবে AEGCLএ বিস্তৃত আনুষ্ঠানিক বন্ধৱস্ত সহ ইয়াৰ E&S ব্যৱস্থাপনা প্ৰক্ৰিয়াসমূহ বিকশাই তুলিছে।

AEGCLএ ইয়াৰ পূৰ্বে বিশ্ববেংক আৰু এচিয়ান ডেভেলপমেন্ট বেংকৰ দৰে কেইবাটাও বহুপক্ষীয় উন্নয়ন বেংকৰ বাবে পৰিপাৰ্শ্বিকতা তথা সামাজিক (E&S) ব্যৱস্থাপনা পদ্ধতি বিকশাই তুলিছে। এই প্ৰকল্পটোতো বিস্তৃত অনুষ্ঠানিক বিন্যাস সহ একেধৰণৰ পদ্ধতি ব্যৱহাৰ কৰা হব। এই ESMPFৰ ফলপ্ৰসু প্ৰয়োগ, উপ-প্ৰকল্পবোৰৰ ভৱিষ্যত E&S মূল্যায়ন তথা E&S সংক্ৰান্তীয় নীতি-নিয়মবোৰ উচিতভাৱে অনুসৰণ কৰা হৈছেনে নাই তাৰ তদাৰক কৰিবলৈ AEGCLএ কৰ্পৰেট স্তৰত এটা প্ৰকল্প ব্যৱস্থাপনা গোট (PMU) আৰু বিভাগীয় স্তৰত এটা প্ৰকল্প কাৰ্যৰূপায়ণকাৰী গোট (PIU) গঠন কৰিব। এই গোত দুটাই প্ৰকল্পটোৰ সকলোবোৰ E&S বিষয়ৰ তদাৰক আৰু E&S মূল্যায়নৰ উপৰি ইয়াৰ নীতি-নিয়মবোৰ কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰাৰ দিশটোৰ তদাৰক কৰিব আৰু আন সকলোবোৰ E&S বিষয়ক কথা নিয়ন্ত্ৰণ কৰিব। ইয়াৰ উপৰি প্ৰকল্পটোত কাম কৰি থকা ঠিকাদাৰ আৰু AEGCLৰ কৰ্মশক্তিক সামৰি প্ৰতিদিনেই সামৰ্থ গঢ়াৰ কাৰ্যসূচী ৰূপায়ণ কৰা হব ।

প্ৰকল্পটোৱে সৃষ্টি কৰিব পৰা কুফলতকৈ সুফলৰ মাত্ৰা অধিক। প্ৰকল্পটোৰ সৈতে জড়িত গুৰুত্বৰ ধৰণৰ E&S প্ৰভাৱবোৰ কেৱল নিৰ্মাণ কাৰ্য চলি থকা সময়লৈহে থাকিব। ESMPFৰ প্ৰয়োগ আৰু উৎকৃষ্ট মানৰ অভিযান্ত্ৰিক তথা পাৰিপাৰ্শ্বিকতা কেন্দ্ৰীক অনুশীলনেৰে এই কুপ্ৰভাৱবোৰ একোটা গ্ৰহণযোগ্য পৰ্যায়লৈ প্ৰশমিত কৰিব পৰা যাব।